বুধবৰীয়া বিশেষ

আৱিৰ্ভাৱৰ সহস্ৰবৰ্ষত ভক্তিবাদৰ প্ৰৱৰ্তক

জয়তু শ্ৰীৰামানুজায়

চন্দ্ৰভূষণ শৰ্মা



ৰামানুজ প্ৰৱৰ্তিত বিশিষ্টাদ্বৈতবাদৰ মূল কথা হ'ল ব্ৰহ্ম আৰু ঈশ্বৰ অভিন্ন। ঈশ্বৰ বিশেষ্য। তেওঁৰ বিশেষত হ'ল জীৱ আৰু জগত। যিহেতু ঈশ্বৰ সত্য, সেইকাৰণে জগত মিথ্যা নহয়। সেইটোও সত্য। কাৰণ বিশেষণে বিশেষ্যক আশ্ৰয় কৰি থাকে। ঈশ্বৰ আৰু জীৱৰ, ঈশ্বৰ আৰু জগতৰ ভেদ আৰু অভেদ উভয়ে স্বীকাৰ্য। অৱশ্যে ভেদতকৈ অভেদৰ গুৰুত্বই বেছি। ৰামানুজে শংকৰৰ মায়াবাদক খণ্ডন কৰিছে। শংকৰৰ দৰে ৰামানুজ অদ্বৈতবাদী হ'লেও ৰামানুজৰ মতে ব্ৰহ্ম একমাত্ৰ চৰমতত্ত্ব হ'লেও নিৰ্গুণ-নিৰ্বিশেষে আৰু স্বাগতভেদ ৰহিত নহয়।

আজিৰ পৰা এহেজাৰ পূৰ্বে ভাৰতীয় দৰ্শন শাস্ত্ৰ আকাশত এক উজ্জ্বল জ্যোতিষ্ক আৱিৰ্ভূত হয়। তেওঁ শ্ৰীৰামানুজাচাৰ্য। আজিও তেওঁৰ প্ৰতিভাৰ আলোকত আমাৰ বেদান্ত দৰ্শন আলোকিত। শ্ৰীৰামানুজ বিশিষ্টাদ্বৈতবাদৰ প্ৰৱৰ্তক আৰু বিখ্যাত সাধক। তেওঁৰ নিচিনা দাৰ্শনিক আৰু সাধক সমকালত ভাৰতবৰ্ষত কোনো নাছিল। বেদান্ত দৰ্শনৰ আকৰ গ্ৰন্থ বাদৰায়নৰ 'ব্ৰহ্মসূত্ৰ গ্ৰন্থৰ শ্ৰীভাষ্য' নামে এক নতুন ভাষ্য ৰচনা কৰি তেওঁ বিশিষ্টাদ্বৈতবাদ প্ৰৱৰ্তন কৰে। তেওঁৰ মত আৰু পথ আজিও কোটি কোটি মানুহক মুক্তিৰ প্ৰেৰণা দিছে।

এনেকুৱা এগৰাকী প্ৰতিভাৱান পুৰুষৰ জীৱন বিচিত্ৰ কৌতূহলোদ্দীপক ঘটনাৰে পূৰ্ণ। বহু উত্থান-পতনৰ মাজেদি, বহু বাধা-বিপত্তি অতিক্ৰম কৰি তেওঁৰ জীৱননদী বৈ গৈ শ্ৰীভগৱানৰ চৰণ-সাগৰত মিলিত হৈছে। আজিও তেওঁৰ জীৱন কাহিনীয়ে যিকোনো কৰ্মযোগীক প্ৰেৰণা যোগায়, দিশা দেখুৱায়। তেওঁৰ কঠোৰ পৰিশ্ৰম, অদম্য জ্ঞানতৃষ্ণা আমাৰ আদৰ্শ।

শ্ৰীৰামানুজ আচাৰ্য ১০১৭ খ্ৰীষ্টাব্দত দক্ষিণ ভাৰতৰ তামিলনাডুৰ শ্ৰীপেৰেম্বুদুৰ গাঁৱত আৱিৰ্ভূত হয়। এই গাঁও অতি প্ৰাচীন আৰু অশ্বমেধাদি নানাবিধ যজ্ঞৰ পীঠস্থান আছিল। পিতা কেশবাচাৰ্য দীক্ষিত নিষ্ঠাৱান আৰু সদাচাৰসম্পন্ন হোৱা বাবে সৰ্বদেশত সৰ্বকালত সম্মানিত হয়। কেশবাচাৰ্য পণ্ডিত আৰু অতিশয় যজ্ঞনিষ্ঠ ব্যক্তি আছিল কাৰণে পণ্ডিতগণে তেওঁক 'সৰ্বক্ৰতু' উপাধি দান কৰে। শ্ৰীৰামানুজৰ মাতা আছিল শ্ৰীশৈলপূৰ্ণ। (পেৰুৱা তিৰুমলাই নম্বি) নামৰ এক পৰম ধাৰ্মিক 'কান্তিমতী' ব্যক্তিৰ ভাগিনী।

বিবাহৰ পাছত বহুদিনলৈ কেশবাচাৰ্যৰ কোনো সন্তান হোৱা নাছিল। পাছত পাৰ্থসাৰথিৰ কৃপাত ৰামানুজে জন্মগ্ৰহণ কৰে। ৰামানুজৰ সংসাৰ জীৱনৰ নাম আছিল লক্ষ্মণ। মোমায়েক শৈলপূৰ্ণই শৈশৱত তেওঁৰ মাজত ৰামানুজ লক্ষ্মণৰ সকলো লক্ষণ দেখি এনে নামকৰণ কৰিছিল। এই সময়ত কান্তিসতীৰ ভাগিনী মহাদেৱীৰো এটি পুত্ৰ সন্তান জন্মে, তেওঁৰ নাম ৰখা হয় গোবিন্দ। লক্ষ্মণৰ পাছত তেওঁৰ আৰু দুই ভগিনী জন্মে—ভূমি আৰু কমলা।

ৰামানুজৰ পিতৃ কেশবাচাৰ্য এগৰাকী অগ্ৰণী পণ্ডিত আছিল। তেওঁ অত্যন্ত যত্নেৰে স'তে ৰামানুজক বেদ আৰু অন্যান্য বহু শাস্ত্ৰ পঢ়ায়। ১৬ বছৰ বয়সত ৰামানুজৰ বিবাহ হয় আৰু পিতৃ বিয়োগো ঘটে। তেতিয়া ৰামানুজৰ লিখা-পঢ়া বন্ধ হৈ যায়। কাৰণ তেওঁক পঢ়ুৱাবৰ কাৰণে তেনেকুৱা পণ্ডিত তেওঁৰ গাঁৱৰ ত্ৰিসীমাত কোনো নাছিল। কিন্তু ৰামানুজ থমকি ৰোৱাৰ পাত্ৰ নাছিল। সন্ধান কৰি জানে, কাঞ্চীপুৰমত অদ্বৈতবেদান্তী শ্ৰীযাদৱ প্ৰকাশ নামে এক প্ৰসিদ্ধ পণ্ডিত সন্ন্যাসীয়ে বহু বিদ্যাৰ্থীক বিদ্যাদান কৰি আছে। তেওঁ সপৰিবাৰে কাঞ্চীপুৰমলৈ আহি মাহীৰ ল'ৰা তেওঁৰ ভাই গোবিন্দক লগত লৈ সেই যাদৱ প্ৰকাশৰ চতুষ্পাঠীত বেদান্ত চৰ্চাৰ বাবে ব্ৰতী হয়। কেইদিনমানৰ ভিতৰতে যাদৱ প্ৰকাশে ৰামানুজৰ প্ৰতিভাত কেৱল বিস্মিতেই নহ'ল; ঈৰ্ষাব্ৰহ্ম'— আচাৰ্যমুখে মন্ত্ৰৰ ব্যাখ্যা— 'ব্ৰহ্মা সত্য স্বৰূপ, জ্ঞানস্বৰূপ আৰু অনন্তস্বৰূপ'—শুনি ৰামানুজে ভাবিলে, তেনেহ'লে ভগৱানৰ দয়া-দাক্ষিণ্য আদি ক'লৈ গ'ল? ভগৱানতো গুণী-সকলো গুণৰ আধাৰ। সেয়ে ব্ৰহ্ম যদি নিৰ্গুণ হয় তেনেহ'লে জীৱ আৰু ব্ৰহ্মতো অভিন্ন হৈ যায়। আৰু ব্ৰহ্ম আৰু জীৱ যদি অভিন্ন হয় তেন্তে ভগৱানৰ উপাসনা আৰু যাগ-যজ্ঞ-পূজা-অৰ্চনাৰ প্ৰয়োজন নাই, কাৰণ এই সকলো কৰ্ম মিথ্যা। অথচ উপাসনা অবিহনে লোক থকা অসম্ভৱ। মুহূৰ্তৰ পাছতেই কলে, গুৰুদেৱ, সৎ চিৎ অনন্ত আদি ভগৱানৰ স্বৰূপ নহয়, গুণ বা ধৰ্ম।' যাদৱ প্ৰকাশে বহু যুক্তি-তৰ্ক দিও ৰামানুজুৰ মত খণ্ডন কৰিব নোৱাৰিলে। এইৰকমৰ আৰু দুবাৰ ৰামানুজৰ লগত বিচাৰ-বিতৰ্কত পৰাজিত হৈ তেওঁ ক্ৰোধ আৰু ঈৰ্ষাত ৰামানুজক অপমান আৰু তিৰস্কাৰ কৰি আশ্ৰমৰ পৰা খেদি দিয়ে। ৰামানুজ নিজৰ ঘৰলৈ ফিৰি আহি নিজে নিজেই বেদান্ত পাঠ কৰিবলৈ লাগিল। কিন্তু ৰামানুজক খেদি পঠিয়াই যাদৱ প্ৰকাশৰ মনত ভয়ৰ সঞ্চাৰ হ'ল। তেওঁ ভাবিলে, এই বালক এদিন অদ্বৈতবাদৰ মহাশত্ৰু হ'ব। ইয়াক যেনেকৈয়ে হওক হত্যা কৰিব লাগিব। তাৰ পাছত এদিন শিষ্যসকলৰ হতুৱাই তেওঁ ৰামানুজক মাতি পঠিয়ালে আৰু পুনৰায় লিখা-পঢ়া আৰম্ভ কৰিবলৈ ক'লে। সৰল স্বভাৱৰ ৰামানুজে পুনৰ তেওঁৰ ওচৰত লিখা-পঢ়া আৰম্ভ কৰিলে। এদিন যাদৱ প্ৰকাশে সকলো শিষ্যক লৈ প্ৰয়াগত গংগাস্থান কৰিবলৈ গ'ল। ৰামানুজো গ'ল। বাটত বিন্ধাচলৰ গোণ্ডাৰণ্যত ৰামানুজক হত্যা কৰাৰ পৰিকল্পনা। তেওঁৰ বিশ্বাসী আৰু প্ৰিয় কেইজনমান শিষ্যৰ ওচৰত তাক প্ৰকাশ কৰে। অৰণ্যত হত্যা কৰিব পাৰিলে তেওঁৰ মৃত্যুৰ দায়িত্ব বন্য হিংস্ৰ পশুৰ ওপৰত দিয়া সহজ হ'ব। কিন্তু 'ৰাখে হৰি মাৰে কোনে?' এই পৰিকল্পনা কেনেবাকৈ গোবিন্দই শুনি পেলায়, আৰু তাক ৰামানুজৰ আগত কৈ দিয়ে। এই কথা শুনি ৰামানুজে প্ৰাণৰ ভয়ত যিফালে চকু যায় সেইফালে দৌৰি থাকে। কিছু সময় পাছত তেওঁ গভীৰ অৰণ্যত সোমাই পৰে আৰু বাট হেৰুৱাই পেলায়। তাৰ পাছত ব্যাধ আৰু ব্যাধিনীৰূপী লক্ষ্মী-নাৰায়ণৰ সহায়তাত তেওঁ এদিনতে কাঞ্চীপুৰমৰ নিজ ঘৰলৈ ফিৰি আহে। ফিৰি আহি তেওঁ মাকৰ পৰামৰ্শত বৰদ ৰাজৰ সেৱাত নিযুক্ত হয়।

ভগৱান বৰদৰাজৰ (বৰদাতা ভগৱান) কৃপাত তেওঁৰেই আশীৰ্বাদধন্য বিখ্যাত পণ্ডিত আৰু সাধু শ্ৰীখামুনাচাৰ্যৰ আহ্বান পায়। শ্ৰীখামুনাচাৰ্যই তেওঁৰ প্ৰিয় শিষ্য পূৰ্ণাচাৰ্যক পঠালে ৰামানুজক আনি তেওঁৰ ওচৰত উপস্থিত কৰাবলৈ। ইতিমধ্যে ৰামানুজৰ মাতৃ বিয়োগ হৈছে। ৰামানুজে বিন্দুমাত্ৰ দ্বিধা নকৰি পূৰ্ণাচাৰ্যৰ লগত গ'ল শ্ৰীযামুনাচাৰ্যৰ স'তে সাক্ষাৎ কৰাৰ বাবে। কিন্তু দুৰ্ভাগ্যবশতঃ এই মহামিলন নঘটিল। অসুস্থ যামুনাচাৰ্য স্বৰ্গগামী হয়। শ্ৰীযামুনাচাৰ্যৰ অন্তিম ইচ্ছা অনুযায়ী সমস্ত বৈষ্ণৱে ৰামানুজক শ্ৰীযামুনাচাৰ্যৰ আসনত প্ৰতিষ্ঠা কৰে। শ্ৰীযামুনাচাৰ্য সমগ্ৰ তামিল দেশৰ বৈষ্ণৱ পণ্ডিত শিৰোমণি আছিল। আৰু ভগৱান শ্ৰীবৰদাৰাজৰ আদেশত ৰামানুজে পূৰ্ণাচাৰ্যক গুৰু নিৰ্বাচন কৰি তেওঁৰ ওচৰত বৈষ্ণৱমন্ত্ৰত দীক্ষা গ্ৰহণ কৰে। শ্ৰীভগৱান বৰদাৰাজ নামাকৰণ ৰামানুজে কৰিছিল। শ্ৰীৰামানুজে সন্ন্যাস গ্ৰহণ কৰাত এদিন মাতৃৰ আদেশত সেই যাদৱ প্ৰকাশে শ্ৰীৰামানুজৰ শিষ্যত্ব গ্ৰহণ কৰিলে আৰু তেওঁৰ পূৰ্বতে কৰা অপৰাধৰ বাবে ক্ষমাভিক্ষা কৰিলে। মাহীয়েকৰ পুত্ৰ তেওঁৰ ভায়েক গোবিন্দাচাৰ্যয়ো শ্ৰীৰামানুজৰ শিষ্যত্ব গ্ৰহণ কৰে। শ্ৰীৰামানুজে এই সময়ত অতি যত্ন সহকাৰে তেওঁৰ দীক্ষাগুৰু পূৰ্ণাচাৰ্যৰ ওচৰত বৈষ্ণৱশাস্ত্ৰ অধ্যয়ন কৰে। পূৰ্ণাচাৰ্যই শিষ্যৰ অদ্ভুত প্ৰতিভা দেখি নিজ পুত্ৰক তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰাই দিয়ে। পাছত অৱশিষ্ট বিদ্যা শিক্ষাৰ বাবে তেওঁ গোষ্ঠীপূৰ্ণ নামে এক বৈষ্ণৱ সাধক আৰু অপ্ৰমাদী পণ্ডিতৰ ওচৰলৈ পঠায়। গোষ্ঠীপূৰ্ণ শ্ৰীযামুনাচাৰ্যৰ প্ৰিয় শিষ্য আছিল। গোষ্ঠীপূৰ্ণই ৰামানুজক মন্ত্ৰ দান কৰে। সেই মন্ত্ৰ শক্তিত ৰামানুজৰ হৃদয় আলোড়িত হ'ল। তেওঁৰ সকলো অজ্ঞান অন্ধকাৰ দূৰ হৈ গ'ল। তেওঁ তেতিয়া গোষ্ঠীপুৰৰ সৌম্যনাৰায়ণৰ মন্দিৰ তোৰণত উঠি উপস্থিত সকলো মানুহক গোষ্ঠীপূৰ্ণৰ মন্ত্ৰদান কৰিলে। গোষ্ঠীপূৰ্ণই এই সংবাদ শুনি ক্ৰুদ্ধ হৈ ৰামানুজক মাতি ক'লে— 'দূৰ হোৱা, নৰাধম, তোমাক এই মন্ত্ৰ মহাৰত্ন দি মই মহাপাপ কৰিছো। তোমাৰ অনন্ত নৰক লাভ হ'ব।' ৰামানুজে বিন্দুমাত্ৰ ভীত নহৈ ক'লে, 'প্ৰভু, আপুনি কৈছে— যিয়ে এই মন্ত্ৰ লাভ কৰিব, সি পৰমগতি লাভ কৰিব। যদি মোৰ নিচিনা এক ক্ষুদ্ৰ জীৱৰ অনন্ত নৰক হয় আৰু ইমান লোকৰ মুক্তি হয় তেন্তে মোৰ অনন্ত নৰক, অনন্ত বৈকুণ্ঠ স্বৰূপ।'

গোষ্ঠীপূৰ্ণই এই কথা শুনি চমকি উঠিল। তেওঁ ৰামানুজক সাবটি ধৰি ক'লে, 'তুমি ধন্য'। ৰামানুজৰ এই ব্যৱহাৰত গোষ্ঠীপূৰ্ণ ইমানেই সদয় যে নিজৰ পুত্ৰক ৰামানুজৰ শিষ্য কৰি দিয়ে। এইদৰে ৰামানুজ কাঞ্চীপূৰ্ণ, মহাপূৰ্ণ, গোষ্ঠীপূৰ্ণ, মালাধৰ আৰু বৰৰংগৰ পৰা যামুনাচাৰ্যৰ নিখিল বিদ্যা লাভ কৰি বৈষ্ণৱ সমাজৰ নেতা হ'ল। শ্ৰীৰংগনাথৰ পাণ্ডাসকলে ৰামানুজক বিষ প্ৰয়োগ কৰি হত্যা কৰিব খুজি ব্যৰ্থ মনোৰথ হয়। এইভাৱে ৰামানুজৰ কীৰ্তি আৰু মহত্ত্ব সমগ্ৰ দেশতে বিয়পি পৰে। এই সময়তে যজ্ঞমূৰ্তি নামে এক অদ্বৈতবেদান্তী মহাপণ্ডিত দিগ্বিজয় কৰি ফুৰিছিল। তেওঁ ৰামানুজৰ কথা শুনিয়েই কাশীৰ পৰা শ্ৰীৰংগমলৈ আহিল ৰামানুজক তৰ্কত পৰাস্ত কৰিবলৈ। অৱশেষত নিজেই পৰাজিত হৈ ৰামানুজৰ শিষ্যত্ত গ্ৰহণ কৰি 'দেৱাজ' মুনি নামে পৰিচিত হয়।

ইয়াৰ পাছত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে আৰু ভক্তিবাদ সুপ্ৰতিষ্ঠিত কৰাৰ বাবে তেওঁ সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰে। তেতিয়া বহু পণ্ডিত, ৰজা, ৰাজন্যবৰ্গ আৰু অগণিত সৰ্বসাধাৰণ লোকে তেওঁৰ শিষ্যত্ব লাভ কৰি ধন্য হয়। এই সময়ত বহু জৈন আৰু বৌদ্ধ ধৰ্মাৱলম্বীয়েও তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। এইদৰে বহু মানুহৰ মুক্তিৰ উপায় কৰি দি তেওঁ স্বেচ্ছামৃত্যু বৰণ কৰিব মনস্থ কৰে। তেতিয়া শিষ্যসকলৰ অনুৰোধত তেওঁ চাৰিদিন মাত্ৰ এই ধৰাধামত থাকিবলৈ সন্মত হয়। আৰু সেই সুযোগতে শিষ্যসকলে তেওঁৰ অন্তিম উপদেশ প্ৰাৰ্থনা কৰিলত তেওঁ বহু জ্ঞানগৰ্ভ উপদেশ দি যায়। উপদেশ শেষত তেওঁৰ মাহীৰ ল'ৰা ভাই গোবিন্দৰ কোলাত মূৰ থৈ আৰু প্ৰিয় শিষ্য আন্ত্ৰপূৰ্ণৰ কোলাত চৰণ দুখানি ৰাখি পৰমগতি লাভ কৰে। অন্তৰীক্ষৰ পৰা 'ধৰ্মনষ্ট' ধ্বনি ধ্বনিত হ'ল। এক মহামানৱৰ লীলা সমাপ্ত হ'ল। সৰ্বভূতত দয়া আৰু মমতাই শ্ৰীৰামানুজৰ জীৱনৰ মূল কথা। তেওঁ জাতিভেদ বিশ্বাস কৰা নাছিল। দ্বিজ, চণ্ডাল আদি সকলো জাতিৰ লোক তেওঁৰ প্ৰিয় শিষ্য আছিল।

তেওঁৰ মতবাদে কোটি কোটি মানুহক এতিয়াও মুক্তিৰ সন্ধান দিছে। আগতে কোৱা হৈছে শ্ৰীৰামানুজে বাদ ৰায়ন প্ৰণিতবেদান্ত দৰ্শনৰ আঁকৰ গ্ৰন্থ ব্ৰহ্মসূত্ৰৰ ভাষ্য ৰচনা কৰি 'বিশিষ্টাদ্বৈতবাদ' প্ৰচাৰ কৰে। আক্ষৰিক অৰ্থত বেদান্ত হ'ল বেধৰ 'অন্তৰ্ভাগ—উপনিষদ। প্ৰচলিত অৰ্থত এইটো এটা দাৰ্শনিক মতবাদ, যি মতবাদৰ প্ৰতিপাদ্য বিষয় হ'ল ব্ৰহ্মবাদ বা চৈতন্যবাদ। বেদান্ত দৰ্শনৰ বহু সম্প্ৰদায় আছে। সকলো সম্প্ৰদায়ে উপনিষদ আৰু বাদৰায়নৰ ব্ৰহ্মসূত্ৰক আকৰ গ্ৰন্থৰূপে স্বীকাৰ কৰে— 'বেদান্ত নাম উপনিষদ প্ৰমানস্ তদুপকাৰিনী শাৰীৰিক সূত্ৰাদিনিচ'। অৱশ্যে ব্ৰহ্মসূত্ৰ (শাৰীৰিক সূত্ৰ) বেদান্ত দৰ্শনৰ মূল গ্ৰন্থ। এই সকলো সম্প্ৰদায়ৰ আচাৰ্যগণে ব্ৰহ্মসূত্ৰৰ ভাষ্য প্ৰণয়ন কৰি নিজ নিজ মতবাদ প্ৰতিষ্ঠা কৰিছে। উপনিষদৰ মাজত দুই প্ৰকাৰ ব্ৰহ্মবাদ দেখা যায়— সম্যপঞ্চবাদ অৰ্থাৎ জগতক মিথ্যা আৰু ব্ৰহ্মক সত্যৰূপে প্ৰতিপাদন। প্ৰথম দৃষ্টিভংগী অনুযায়ী ব্ৰহ্ম-পৰিনামবাদ আৰু দ্বিতীয় দৃষ্টিভংগী অনুযায়ী ব্ৰহ্ম-বিৱৰ্তবাদ। ব্ৰহ্মসূত্ৰৰ বৈষ্ণৱ ভাষ্যকাৰসকল প্ৰথম পক্ষ অৰ্থাৎ সপ্ৰপঞ্চ ব্ৰহ্মবাদী আৰু আচাৰ্য শংকৰ হ'ল নিষ্প্ৰপঞ্চ ব্ৰহ্মবাদী অৰ্থাৎ দ্বিতীয় পক্ষ। যিয়ে হওক, ব্ৰহ্মসূত্ৰৰ বৈষ্ণৱ ভাষ্যকাৰসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল— ৰামানুজ, মধ্ব, নিম্বাৰ্ক, বল্লভ আৰু বলদেৱ। ৰামানুজৰ প্ৰতিপাদ্য বিশিষ্টাদ্বৈতবাদ। মধ্বৰ প্ৰতিপাদ্য দ্বৈতবাদ। নিম্বাৰ্কৰ প্ৰতিপাদ্য দ্বৈতাদ্বৈতবাদ। বল্লভৰ প্ৰতিপাদ্য শুদ্ধাদ্বৈতবাদ। আৰু গোড়ীয় বৈষ্ণৱসকলৰ প্ৰতিপাদ্য অচিন্ত্যভেদাভেদবাদ।

ৰামানুজ প্ৰৱৰ্তিত বিশিষ্টাদ্বৈতবাদৰ মূল কথা হ'ল ব্ৰহ্ম আৰু ঈশ্বৰ অভিন্ন। ঈশ্বৰ বিশেষ্য। তেওঁৰ বিশেষত হ'ল জীৱ আৰু জগত। যিহেতু ঈশ্বৰ সত্য, সেইকাৰণে জগত মিথ্যা নহয়। সেইটোও সত্য। কাৰণ বিশেষণে বিশেষ্যক আশ্ৰয় কৰি থাকে। ঈশ্বৰ আৰু জীৱৰ, ঈশ্বৰ আৰু জগতৰ ভেদ আৰু অভেদ উভয়ে স্বীকাৰ্য। অৱশ্যে ভেদতকৈ অভেদৰ গুৰুত্বই বেছি। ৰামানুজে শংকৰৰ মায়াবাদক খণ্ডন কৰিছে। শংকৰৰ দৰে ৰামানুজ অদ্বৈতবাদী হ'লেও ৰামানুজৰ মতে ব্ৰহ্ম একমাত্ৰ চৰমতত্ত্ব হ'লেও নিৰ্গুণ-নিৰ্বিশেষে আৰু স্বাগতভেদ ৰহিত নহয়। তেওঁ ঈৰ্ষাদ্বেষাদি হেয়গুণবৰ্জিত হোৱাত উপনিষদত তেওঁক নিৰ্গুণ বোলা হৈছে। বাস্তৱতে, তেওঁ সৰ্বশক্তিময়, সৰ্বজ্ঞ, কৰুণাময় আদি অশেষ গুণৰ আধাৰ। ব্ৰহ্মৰ বিস্ময়কাৰী সৃষ্টিশক্তিৰ নাম মায়া। ব্ৰহ্ম নিৰ্বিশেষ সত্তামাত্ৰ নহয়। তেওঁ গুণৰ দ্বাৰা বিশেষিত। ব্ৰহ্মৰ সজাতীয় আৰু বিজাতীয় ভেদ স্বীকাৰ্য নহয়। কাৰণ যি সৰ্বব্যাপী, সৰ্বশক্তিমান, এক আৰু অদ্বিতীয় তেওঁৰ সঁজাতীয়-বিজাতীয় ভেদ থাকিব কেনেকৈ? কিন্তু ব্ৰহ্মৰ স্বগতভেদ, স্বীকাৰ্য, কাৰণ তেওঁৰ মাজতেই পৰস্পৰ বেলেগ চিৎ (জীৱ) আৰু অচিৎ (জগত) পদাৰ্থময় বিদ্যমান। এই দুটাই ব্ৰহ্মৰ অংশ আৰু ব্ৰহ্মৰ দৰে সত্য। এইসকলে প্ৰলয়ত অতি সূক্ষ্মভাৱে ব্ৰহ্মত অৱস্থান কৰে আৰু সৃষ্টিৰ কালত স্থূল জীৱ আৰু জগতৰূপে প্ৰকাশিত হয়। বেলেগ বেলেগ দৃষ্টিত বৃক্ষৰ মূল কাণ্ড আদি যেনেকৈ বৃক্ষৰ পৰা পৃথক, আকৌ সমষ্টি দৃষ্টিত সিহঁত যেনেকৈ বৃক্ষৰ পৰা অভিন্ন, তেনেকৈ জীৱ আৰু জগত ব্ৰহ্মৰ অৰ্থ বুলিয়েই ব্ৰহ্মৰ পৰা ভিন্নধৰ্ম হ'লেও ব্ৰহ্মশ্ৰেণী আৰু পৃথক সত্তাহীন বুলি ব্ৰহ্মৰ পৰা অভিন্নও সত্য। এই খণ্ডৰ নাম বিশিষ্টাদ্বৈতবাদ। কাৰণ, এই মতত চিৎ আৰু অচিৎ বিশিষ্ট ব্ৰহ্মই একমাত্ৰ চৰম তত্ত। এই মতত মুক্তিৰ সময়তো ব্ৰহ্মৰ স'তে জীৱৰ ঐক্য সম্ভৱ নহয়। আৰু ভক্তিদ্বাৰা প্ৰাপ্ত ভগৱৎ প্ৰসাদেই মুক্তিৰ কাৰণ।

ৰামানুজে যে কেৱল শ্ৰীভাষ্য ৰচনা কৰিছে, সেয়া নহয়, তেওঁ বহু গ্ৰন্থ ৰচনা কৰিছে। সেইবোৰ গ্ৰন্থ দৰ্শন আৰু ভক্তিবাদ বিষয়ক।

শ্ৰীৰামানুজ আজিও দৰ্শন শাস্ত্ৰত এক প্ৰাসংগিক ব্যক্তিত্ব। যিমান দিনলৈ জগতত বেদান্তদৰ্শন থাকিব সিমানদিনলৈ ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ থাকিব। আৰু মানুহে অনন্ত কৌতূহল ভৰা মনেৰে তেওঁৰ মতবাদ সমন্বিত শ্ৰীভাষ্য পাঠ কৰি অপাৰ আনন্দ লাভ কৰিব আৰু দৰ্শনৰ মূল প্ৰশ্ন ব্ৰহ্ম-জীৱ-জগতৰ সম্পৰ্কে অন্বেষণ কৰি মুক্তিৰ সন্ধান কৰিব।

(ড° ইন্দ্ৰজিৎ সৰকাৰৰ প্ৰবন্ধৰ সহায় লৈ ৰচিত) *ফোন ঃ ৭৩৯৯৮১৯৭৭৭*

নামজাদা জুহু বীচ্চ



মায়ানগৰীৰ মায়া

এনী হাজৰিকা

বিহাৰৰ পৰা অহা ভাইকলে চাহৰ কেট্‌লি হাতত লৈ ইফালৰ পৰা সিফাললৈ গ্ৰাহকক কণমানি গিলাছ এটাত চাহৰ যোগান ধৰে, গিলাছে প্ৰতি ১০ টকাত। বিয়লিলৈ চাৰি বজাৰ পৰা নিশা ১২ বজালৈকে এনেদৰে চাহ বিক্ৰী কৰি দিনে চাৰিশৰ পৰা পাঁচশ টকা, মাহটোত প্ৰায় ১৫ হেজাৰ টকা অৰ্জন কৰে।

মুম্বাই বুলি ক'লে প্ৰথমে মনলৈ আহে জুহু বীচ্চৰ নাম। জুহু বীচ্চ বা জুহু চৌপাটি হৈছে মুম্বাই তথা দেশৰ আটাইতকৈ বিখ্যাত আৰু পুৰণি বীচ্চ। ইয়ালৈ দেশ-বিদেশৰ পৰা হেজাৰ-বিজাৰ পৰ্যটকৰ আগমন ঘটে, ইয়াৰে অধিকাংশই সূৰ্যাস্ত চাবলৈ দিনটো ক্ষণ গণে। বেলিটো মাৰ যোৱাৰ দৃশ্য ইমানেই অনুপম যে চকু পৰাৰ লগে লগেই সকলো দুখ-ভাগৰ পাহৰি যোৱা যায়। এইখন বীচ্চত আনবাৰতকৈ শনি আৰু দেওবাৰে মানুহৰ সমাগম বেছি হয়। কৰ্মব্যস্ত মহানগৰী মুম্বাইত থকা অনেকে গোটেই সপ্তাহটো কামৰ হেঁচাত নিজৰ পৰিয়ালটোক সময় দিব নোৱাৰে। সেয়েহে অৱকাশৰ দিনা বেছিভাগ পিতৃ-মাতৃয়ে তেওঁলোকৰ পাৰ বাকচ যেন ঘৰবোৰৰ পৰা সন্তানক লৈ খেলা-ধূলা কৰিবলৈ, শুদা ভৰিৰে পানীত নামিবলৈ, বালিঘৰ সাজিবলৈ— মুঠতে মুকলিমুৰীয়াকৈ উশাহ ল'বলৈ এই বীচ্চলৈ যায়। কিছুমানে আকৌ বাৰিষা আৰম্ভ হোৱাৰ আগে আগে মে' আৰু বাৰিষা যোৱাৰ লগে লগে অক্টোবৰৰ ছাটি-ফুটি লগা গৰমৰ পৰা অলপ হ'লেও সকাহ পোৱাৰ বাবে জুহু বীচ্চৰ গা-মন জুৰ পেলোৱা শীতল বতাহ ছাটি গাত লগাবলৈ সন্ধিয়াৰ পৰা নিশা বাৰমান বজালৈকে বহে। এই বীচ্চলৈ যোৱাৰ একেবাৰে উপযুক্ত সময় হৈছে অক্টোবৰৰ পৰা ফেব্ৰুৱাৰী মাহ।

প্ৰকৃততে ১৯ শতিকাত জুহু এটা দ্বীপ আছিল। ইয়াক 'জুভেম' বুলি কোৱা হৈছিল পৰ্তুগীজ ভাষাত। এই দ্বীপৰ উত্তৰ কোণত জুহু গাঁও আছিল আৰু ইয়াত বসবাস কৰিছিল ভাণ্ডাৰি (নিমখৰ কাৰবাৰ কৰা) সকলে। এওঁলোকক আগ্ৰি বুলিও কোৱা হয়। কালবিছ (কৃষক) সকলেও ইয়াতেই বসবাস কৰিছিল। দ্বীপটোৰ দক্ষিণ ভাগত বান্দ্ৰা দ্বীপৰ বিপৰীতে আছিল কলিৱাড়া অৰ্থাৎ মাছমৰীয়াসকলৰ গাঁও বা বসতি। প্ৰায় এক শতিকাৰ বাবে জুহুৰ মুকলি পৰিবেশে ধনী লোকসকলক আকৰ্ষিত কৰে। তাৰ ভিতৰত গণ্য-মান্য জামছেদজি টাটাই এটুকুৰা মাটি কিনি এটা বঙলা সাজিছিল। তেওঁ জুহু তাৰাত ১২০০ একৰ মাটি বঢ়াবলৈ পণ লৈছিল। এই আঁচনিত ৰিজ'ৰ্টৰ বাবে সাগৰৰ কাষৰ এক একৰ মাটিত পাঁচশটা প্লট ধাৰ্য কৰা হৈছিল। এই ঠাইলৈ অহাৰ সুবিধাৰ বাবে তেওঁ মাহিম কজ্‌ৱেটোক (পথ) চান্তাক্ৰুজলৈকে আনিব বিচাৰিছিল। লাহে লাহে এই বীচ্চৰ আশে-পাশে বহুতো পঞ্চতাৰকা হোটেল যেনে— ৰামাডা ইন পামগ্ৰ'ভ, নভোটেল, জেডব্লিউ মেৰিয়ট আদি নিৰ্মাণ কৰা হ'ল যাতে দেশ-বিদেশৰ পৰা এই মহানগৰীলৈ অহা বহুজন বিলাসী মানুহে ইলাহীকৈ দিনকেইটা কটাব পাৰে। ইয়াৰ উপৰি এই জুহু বীচ্চৰ ওচৰে-পাঁজৰে বলিউদৰ বহুজন নামী-দামী তাৰকাই বসবাস কৰে। অমিতাভ বচ্চনৰ 'প্ৰতীক্ষা' বঙলাটো জুহু বীচ্চৰ লেণ্ডমাৰ্ক। আশা পাৰেখ, ৰঞ্জিত, বি আৰ চোপ্ৰা, যশ চোপ্ৰা, ৰাকেশ ৰোশন আৰু ধৰ্মেন্দ্ৰও ইয়াতে থাকে। তেওঁলোকৰ মাজৰ অনেকে দোকানোকা হওঁতেই জুহু বীচ্চত খোজ কাঢ়িবলৈ ভাল পায়। ইয়াৰ ভিতৰত নাম ল'ব পাৰি অমিতাভ বচ্চন, ঋত্বিক ৰোশন, অজয় দেৱগণ, অনিল কাপুৰ আৰু অনুপম খেৰ। আনকি মহামানৱ মহাত্মা গান্ধীয়েও স্বাধীনতা আন্দোলনৰ সময়ত ১৭ বছৰ কাল মুম্বাইত থাকোতে জুহু বীচ্চত খোজ কাঢ়িছিল। গান্ধীগ্ৰাম ৰোডত থকা মহাত্মাৰ প্ৰতিমূৰ্তিয়ে বাপুৰ জুহু বীচ্চত খোজকঢ়া কথাটোৰ আজিও স্বাক্ষৰ বহন কৰিছে।

এইটো সকলোৰে জ্ঞাত যে ইয়াত বহু চিনেমাৰ শ্বুটিং হৈছিল। সেয়েহে জুহুলৈ যোৱা প্ৰায়ভাগেই কেনেবাকৈ শ্বুটিং চাবলৈ পাই বুলি নিশা এপৰলৈকে বোন্দাপৰ দি থাকে। কিন্তু আজিকালি মানুহৰ ইমানেই দলদোপ-হেন্দোলদোপ তাতে আকৌ কোলাহল, সেইবাবে নিৰ্দেশক-প্ৰযোজকসকলে চিনেমাৰ কথা বাদেই ছিৰিয়েলৰ শ্বুটিং ল'বলৈও মন নকৰা হ'ল। এতিয়াও মনত পৰে আনন্দ চিনেমাত ৰাজেশ খান্নাই জুহু বীচ্চত খোজকাঢ়ি গৈ থাকোতে ওঁঠ মিলোৱা সেই জনপ্ৰিয় গীতটো 'জিন্দেগী কেইচি হ্যেয় পহেলী...'। এই জুহু বীচ্চত নিশা ১২ বজালৈকে থকা দোকান-পোহাৰ অথবা তালৈ যোৱা লোকৰ যাতে কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয় সেইবাবে বি এম চি অৰ্থাৎ বৃহৎ মুম্বাই মিউনিচিপাল কৰ্প'ৰেচনে বহুতো পদক্ষেপ হাতত লৈছে। তাৰ ভিতৰত এটা হৈছে বীচ্চৰ কাষে কাষে এশটা লাইট টাৱাৰ পুতি ৰাতিও বীচ্চখন পোহৰ কৰি তোলা। জুহু বীচ্চলৈ গোটেই দিনটোৰ কাৰণে ওলাই গ'লেও অনাহাৰে থাকিবলগীয়া নহয়, কাৰণ খোৱা বস্তুৰ পয়োভৰ দেখিলে দিনক দিনে বৰ্দ্ধিত জনসংখ্যাই লেতেৰা কৰি তোলা বীচ্চৰ পৰিবেশ আওকাণ কৰি যাৰ যি মন যায় খশবলৈ বহি যায়। বিহাৰৰ পৰা অহা ভাইকলে চাহৰ কেট্‌লি হাতত লৈ ইফালৰ পৰা সিফাললৈ গ্ৰাহকক কণমানি গিলাছ এটাত চাহৰ যোগান ধৰে, গিলাছে প্ৰতি ১০ টকাত। বিয়লিলৈ চাৰি বজাৰ পৰা নিশা ১২ বজালৈকে এনেদৰে চাহ বিক্ৰী কৰি দিনে চাৰিশৰ পৰা পাঁচশ টকা, মাহটোত প্ৰায় ১৫ হেজাৰ টকা অৰ্জন কৰে। দিনে পাঁচ কেট্‌লি বিক্ৰী কৰে, এক কেট্‌লি ঘৰৰ পৰা আনে, বাকী চাৰি কেট্‌লি বীচ্চৰ কাষত থকা মন্দিৰৰ পৰা পানী লৈ হাতৰ জোলোঙাত থকা চাহপাত, চেনি আৰু গাখীৰেৰে চাহ বনাই বিক্ৰী কৰে। কোনোৱে আকৌ সৰু সৰু টেবুলত আমি ল'ৰালিতে ফৰ্মূটি মাৰি খোৱা কেইবিধমান ফল লৈ থিয় হৈ থাকে বিয়লি তিনি বজাৰ পৰা নিশা ১২ বজালকে। হাঁহিমুখীয়া ডেকা অভিজিতে ক'বলৈ ধৰিলে মিহলোৱা ফলৰ ডাঙৰ প্লেটটত ৬০ টকা আৰু সৰু প্লেটত ৩০ টকা। প্লেটখনত মিহি আৰু দীঘলীয়াকৈ কটা আবতৰীয়া টেঙা-মিঠা আমৰ চাৰি চকলমান, গোলকৈ কটা তিনিচকলমান কৰদৈ টেঙা, সৰু সৰু আমলখি পাঁচটামান, কেঞাবগৰী ছয়-সাতটামান, শুকান বগৰী তিনি-চাৰিটামান, কেঁচা তেতেলী এছিৰা, পকা আৰু মিঠা-জ্বলা তেতেলী অকণমান প্লেটখনত দি নিমখ ছটিয়াই সোঁমাজতে আকৌ গুৱামুৰি জাতীয় পাণ মচলাৰ অন্যতম চফ সৰু সৰু ঠাল এটা সজাই দিয়ে, দেখিলেই মনত পৰে আমাৰ আগৰ ঘৰবিলাকৰ পিৰালিত গজা চফৰ গছবোৰলৈ। শুকান বগৰীটো মুখত দিয়েই মনত পৰিল আইতাই ঢেঁকীত খুন্দি চীনা মাটিৰ বৈয়ামত ভৰাই থোৱা বগৰী গুড়িৰ কথা। কথাই কথাই তেওঁ ক'লে— দিনে উপাৰ্জন হয় এহেজাৰ টকা। মূৰটো ঘূৰালেই চকুত পৰে পোৱা গোমধান, সৰু একোটাত ২০ টকা আৰু ডাঙৰবোৰ ৩০ টকা। ইফালে বীচ্চত গোলাটো দেখাৰ লগে লগে ল'ৰা, ডেকা, বুঢ়া কোনো ৰৈ থাকিব নোৱাৰে, লাঠি ডাল ধৰি কেৱল চুপিবলৈ লাগি যায়। ওচৰতে লগালগিকৈ থকা শাৰী শাৰী দোকানবোৰৰ পৰা একোজনকৈ ওলাই আহি অহা-যোৱা কৰা পথচাৰীসকলৰ হাতত মেনুখন গুজি দি কি খাব সোধাৰ লগে লগে চকু যায়েই নহয় গৰম গৰম সুস্বাদু ভেলপুৰী, পানী পুৰি, পাওভাজি, চেও পুৰী, বাটাটা বৰা, আদিৰ দোকানবোৰলৈ। দোকানবোৰৰ মাজৰ এখনলৈ গৈ খতিয়ান ল'লো ৰাজস্থানৰ ৰাজু বোলা এজন দোকানীৰ পৰা। তেওঁ ক'লে যে পুৱা প্ৰায় ন বজাৰ পৰা নিশা ১২ বজালৈকে তেওঁলোকৰ দোকানবোৰ খোলা থাকে। তেনেকুৱা দোকান একেলেথাৰিয়ে আঠখনমান আছে। কিন্তু তেওঁলোকে কেতিয়াও এজনে আনজনৰ গ্ৰাহক টনা-আঁজোৰা নকৰে বা তেওঁলোকৰ মাজত দোকানক লৈ বগিয়াবগি হোৱা নাই। প্ৰতিখন দোকানত ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰ, বিহাৰ, উত্তৰ প্ৰদেশ আদি সকলোৰে মানুহে মিলি-জুলি কাম কৰি আছে। অশান্তিকৰ পৰিবেশ কেতিয়াও হোৱা নাই। পানী, বিজুলী বিল আৰু পৌৰনিগমক দিও মাহেকে তেওঁলোকৰ প্ৰায় ৭০-৮০ হেজাৰ টকা থাকে। পুৱা পূজা-পাতল কৰি কপালত চন্দনৰ ফোঁট এটা লৈ পুৱা ন বজাৰ পৰা নিশা ১২ বজালৈ অনৰ্গল শ্ৰম কৰি থকা এইসকল লোকক দেখিলে 'হাতে কৰা কাম মুখে লোৱা নাম' ভগৱৎ প্ৰেমৰ এই নীতিক যেন তেওঁলোকে সাৰোগত কৰি লৈছে তেনে লাগে। কিছুমান মহিলাই আকৌ হাতত সৰু টোপোলা এটা লৈ মেহেন্দি সানিবলৈ কাউবাউ কৰে। তেওঁলোকেও দিনটোত প্ৰায় তিনিশ-চাৰিশ উপাৰ্জন কৰে। পানীলৈ নামি যোৱাৰ লগে লগে আগবাঢ়ি আহে ডিঙিত কেমেৰা লৈ থকা ফটোগ্ৰাফাৰসকল, নিজৰ হাতত যিমানেই দামী কেমেৰা নাথাকক লাগে তৎমুহূৰ্তত পোৱা ফটোখনৰ প্ৰতি বেছিভাগৰে দুৰ্বলতা থাকেই। মুঠতে এতিয়া জুহু বীচ্চ যদি কাৰোবাৰ বাবে অৱসৰ বিনোদনৰ ঠাই আন কাৰোবাৰ বাবে হৈছে জীৱিকা অৰ্জনৰ এক অন্যতম স্থল।

ফোন ঃ ৯৯২০০৫৬৪৬৫

যুৱ সমাজৰ বৰ্ধিত বিশৃংখলতা ঃ কোন পথে সমাজ?

মানসী মিশ্ৰ

ল'ৰালিৰে অভ্যাস, ৰাতিপুৱাই হাত মুখ ধুই উঠাৰ পাছত এখন হাতত চাহকাপ লওঁ আনখন হাতত বাতৰি কাকতখন তুলি লওঁ। সৰুতেই মা-দেউতা, পৰিয়ালৰ জ্যেষ্ঠ জনৰ পৰা শিকিছিলো যে বাতৰি কাকতখন নিয়মীয়াকৈ পঢ়াৰ অভ্যাসে সকলো স্তৰতে আমাৰ জ্ঞান পৰিধি বহল কৰাৰ লগতে যথেষ্ট মানসিক আনন্দও প্ৰদান কৰে। কথাষাৰ প্ৰকৃততে সত্য। সেই বাবেই বাতৰি কাকতখন দৈনিক পঢ়াৰ অভ্যাস এতিয়াও আছে, আগলৈয়ো নিশ্চয় থাকিব। কিন্তু বাতৰি কাকতখন পঢ়াৰ যি সুকীয়া আমেজ মাদকতা সেয়াহে সলনি হ'ল। হেঁপাহৰে ৰৈ থকা সেই বাতৰি কাকতখনকে পঢ়িবলৈ হাতত তুলি ল'বলৈ এতিয়া ভয় লগা হ'ল। সচাঁকৈয়ে বৰ্তমান সময়ৰ বাতৰি কাকতৰ পৃষ্ঠাভৰা নেতিবাচক খবৰসমূহে গা-মন শিহৰিত কৰি তোলে। দিনটোলৈ অৱসাদেৰে মনটো ভৰাই তোলে। আমাৰ বহু প্ৰত্যাশিত বাতৰি কাকতখনে আনন্দৰ বাতৰিৰ পৰিৱৰ্তে দুখৰ বাতৰিহে যোগান ধৰে বুলি আমাৰ নিজৰ মনটোৰ ~~ওপৰতে ধিকাৰ জন্মে। ঠিক একেদৰেই টিভিৰ নিউজ~~ চেনেলটো অন কৰা সময়তো মনত সেই একেই শংকা। উদাহৰণ স্বৰূপে সহপাঠীয়ে মৰিয়াই হত্যা কৰাৰ কৰুণ ঘটনা, নিজৰ পুত্ৰ বা কন্যাক কেইটামান টকাৰ বাবেই আনৰ হাতত বিক্ৰী কৰাৰ অমানৱীয় ঘটনা। এনেধৰণৰ হত্যা হিংসাৰ বাতৰিৰে ভৰপূৰ ঘটনা ৰাজিয়ে প্ৰতিজন সমাজ সচেতন ব্যক্তিকে যথেষ্ট ভবাই তুলিছে। আমাৰ সমাজখনে যিসকলক বৰ্তমান আৰু ভৱিষ্যৎ প্ৰজন্ম বুলি অভিহিত কৰো, যিসকলৰ হাতত ভৱিষ্যতৰ সমাজখনৰ দায়িত্ব অৰ্পণ কৰা হ'ব বুলি আশা কৰা হয়, সেই যুৱপ্ৰজন্মই কিছু বছৰৰ পৰা বিপথে পৰিচালিত হোৱা দেখিলে মনত খুব দুখ লাগে। এইখিনিতে উল্লেখযোগ্য যে ১৮ বছৰৰ অনূৰ্ধ্ব বহু কিশোৰী সমাজৰ পৰিপন্থী বহু কামৰ স'তে জড়িত হৈ আমাৰ চৌপাশে নানা অপকৰ্মৰ সৃষ্টি কৰা তথ্য সম্বলিত প্ৰতিবেদন আমি বাতৰি কাকতৰ মাধ্যমেৰেই পঢ়িবলৈ পাওঁ। চলিত বছৰটোৰ ভিতৰতে কে'বাজনো কিশোৰ চুৰি, ডকাইতি, মাৰপিটৰ, বলৎকাৰৰ ঘটনাত জড়িত হৈ পৰা বাতৰি আমি সংবাদ মাধ্যমযোগে পাইছো। কৈশোৰ আৰু যৌৱনকালতেই মানুহে নিজক গঢ় দিয়াৰ সময়, নিজৰ ব্যক্তিত্ব সম্পূৰ্ণ পৰিপক্ক কৰাৰ বাবে উপযুক্ত সময় অথচ এনে সময়ত এইসকল কিশোৰ, যুৱকৰ মাজত ধ্বংসমুখী দৃষ্টিভংগী, বিসংগতিপূৰ্ণ মানসিকতা যাৰ বাবেই তেওঁলোকে সুন্দৰ সোণোৱালী সময়ৰ অপচয় কৰি বেছিভাগ সময় নিজকে ব্যস্ত ৰাখিছে কিছুমান নেতিবাচক কাৰ্যকলাপৰ মাজত। বেছিভাগ কিশোৰ কিশোৰী, যুৱক-যুৱতীয়ে হতাশগ্ৰস্ত। ইয়াৰ ফলত বৰ্চমান, ভৱিষ্যৎ সম্পৰ্কত তেওঁলোকে কোনো সিদ্ধান্তলৈ আহিব নোৱাৰে। আজিৰ দিনটোত কোনটো কাম কৰিলে হিত সাধন হ'ব, তেওঁলোকৰ বাবে কোনটো কাৰ্যই বিপদ মাতি আনিব, সেই কথাটোও নিজে সঠিককৈ নিৰ্ণয় কৰিব নোৱাৰে। উদাহৰণস্বৰূপে মাত্ৰ কিছুদিনৰ আগেয়ে কটন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত অধ্যয়নৰত কেইজনমান ছাত্ৰই পৰীক্ষাত ভাল ফলাফল নোহোৱাৰ বাবেই ঘৰ-অভিভাৱকৰ অজ্ঞাতে ট্ৰেইনত উঠি ৰাজ্যৰ বাহিৰলৈ গুচি গৈছিল। তেওঁলোকৰ এনে মাৰাত্মক কাৰ্যই নিজৰ পৰিয়াল, সহপাঠী, বন্ধু, শিক্ষানুষ্ঠানখনত হাহাকাৰ পৰিবেশৰ সৃষ্টি কৰিছিল। শেষত আৰক্ষী বিভাগ আৰু প্ৰচাৰ মাধ্যমৰ নেৰানেপেৰা প্ৰচেষ্টাত চাৰিওজন ছাত্ৰকে উদ্ধাৰ কৰি আনিব পৰা হ'ল। এজন সৎ ব্যক্তি হিচাপে নিজকে প্ৰতষ্ঠা কৰাৰ, সুউচ্চ বিবেক বিবেচনা সম্পন্ন মানুহ হিচাপে গঢ়ি তোলাৰ বাবেতো আমাৰ সমাজত মানুহৰ প্ৰতিযোগিতা নাই। প্ৰতিযোগিতা কেৱল হয় টকা, সা-সম্পত্তিক লৈ, দুৰ্নীতিকলৈ, দামী গাড়ী-বাইকক, পৰীক্ষাৰ নম্বৰকলৈ। সুস্থ নৈতিকতা সম্পন্ন ৰুচিশীল মানুহ হিচাপে নিজকে গঢ় দিয়াৰ চেষ্টা, সন্তানক গঢ় দিয়াৰ প্ৰচেষ্টা আমাৰ সমাজখনত, আমাৰ পৰিয়ালসমূহত দেখা নাযায়। এইটো আমাৰ ভৱিষ্যতৰ সমাজখনৰ বাবে অশুভ ইংগিত। যুৱ সমাজৰ, কিশোৰ সমাজৰ এনে বিশৃংখলতা হতাশাগ্ৰস্ততা এই সমূহ কাৰ্যৰে প্ৰতিফলন, ফলাফল। আমি সকলোৱে মনত ৰখা উচিত প্ৰতিটো ক্ৰিয়াৰ একোটাকৈ প্ৰতিক্ৰিয়াও থাকে। আজি কিছুদিনৰ আগতে আকৌ গুৱাহাটীস্থ প্ৰসিদ্ধ টাউন ক্লাবত কটন মহাবিদ্যালয় আৰু ৰাষ্ট্ৰীয় আইন মহাবিদ্যালয়ৰ একাংশ ছাত্ৰৰ মাজত প্ৰথমে কাজিয়া আৰু পিছলৈ মাৰপিট সংঘটিত হৈ এই ক্লাবৰ যথেষ্ট সংখ্যক মূল্যৱান আচবাবৰো ক্ষতি সাধন হয়। এনেদৰে হঠাতে এটা চামে কৰা এনে মইমতালি, বিশৃংখল কাৰ্যকলাপৰ যোগেদি আমাৰ সমাজখনৰ, সমাজখনত থকা কে'বাটাও পৰিয়ালত এটা হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰা নাইনে যিটোৱে আমাৰ চৌপাশৰ শান্তি বিঘ্নিত কৰিছে আৰু আমাৰ মাজতে থকা একোটা গৌৰৱজ্জ্বোল অনুষ্ঠানৰ গৰিমাত কালিমা সানিছে।

এয়া মাত্ৰ আমাৰ চৌপাশে কিছুদিনৰ ভিতৰতে সংঘটিত হোৱা দুই-এটা উদাহৰণহে এই সমূহৰ উপৰি কে'বাটাও ডাঙৰ ডকাইতি, চুৰি, অপহৰণ, বলাৎকাৰ আদি ঘটনাত জড়িত অধিক সংখ্যকেই তথাকথিত সত্য সমাজৰ যুৱ প্ৰজন্মৰ প্ৰতিনিধি কিছুবছৰ ধৰি কৈশোৰ, যুৱ প্ৰজন্মৰ মাজত দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰা অস্থিৰতা, বিশৃংখল কাৰ্যকলাপৰ মূলতে হৈছে তেওঁলোকৰ মাজত সৃষ্টি হোৱা হতাশাগ্ৰস্ততা। যান্ত্ৰিকতাৰে ভৰা আমাৰ এই সমাজ ব্যৱস্তাত খুব সহজেই আমাৰ মনলৈ হতাশাৰ ভাব আহে। এই যান্ত্ৰিকতাৰে ভৰা সমাজ ব্যৱস্থাত সামাজিকীকৰণ প্ৰক্ৰিয়াটো প্ৰায় শেষ হৈ গৈছে। আত্মীয়-স্বজন, প্ৰতিবেশীসকলৰ মাজতো মাত-বোল, আহ-যাহ যথেষ্ট সীমাবদ্ধ হৈ পৰিছে। পুৱা শুই উঠাৰ পাছত প্ৰত্যেকেই একোটা যন্ত্ৰলৈ পৰিৱৰ্তিত হয় যে নিজৰ পৰিয়ালৰ মা-দেউতা, বাই-ভনী, দাদা, ভাইটিৰ মাজতো কিছুসময় মুকলিকৈ কথা পতা, ধেমালি কৰা সম্ভৱ নহয়। তাৰ মাজতে যিখিনি আজৰি সময় ওলায় সেইখিনিও ম'বাইল, ফেচবুক, টিভিটো লৈয়ে ব্যস্ত হোৱা দেখা যায়। এই সকলোবোৰ উপাদান লগলাগি আমাৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিছে। সেইবাবেই আমি মানসিক অৱসাদ, হতাশাগ্ৰস্ততাৰ পৰা যদি নিজকে ৰক্ষা কৰিব, মুক্ত কৰিব বিচাৰো তেন্তে প্ৰত্যেকেই নিজৰ জীৱনত শৈশৱৰ পৰাই একোটা হ'বি, অভিৰুচি গঢ়ি তুলিব লাগে। এই হ'বি সকলোৰে বাবে বেলেগ বেলেগ, কিতাপ পঢ়া, গান শুনা, খেলা, নৃত্য-গীত, সাহিত্য চৰ্চা আদি হ'ব পাৰে। কাৰোবাৰ হয়তো ৰন্ধা-বঢ়া কৰা, সমনীয়াৰ স'তে ভাব বিনিময় কৰাও হ'ব পাৰে। মুঠতে এই অভিৰুচি যাতে সদায় সক্ৰিয় হৈ থাকে তাৰ বাবে আমি প্ৰত্যেকে শৈশৱৰ পৰাই ভালদৰে আপডাল কৰিব লাগে। এই ক্ষেত্ৰত অভিভাৱকসকলেও এক ইতিবাচক ভূমিকা গ্ৰহণ কৰা উচিত।

ফোন ঃ ৯৪৩৫৩০৯২৭৯